ক্ৰীড়া

Rising Stars Asia Cupৰ বাবে ভাৰতীয় দলৰ ঘোষণা, স্থান পালে অভিষেক-সূৰ্যবংশীয়ে

Rising Stars Asia Cup ২০২৬ৰ বাবে তিলক বৰ্মাৰ নেতৃত্বত ১৫জনীয়া ভাৰত ‘এ’ দল ঘোষণা কৰিছে BCCI-য়ে। দলত অভিষেক শৰ্মা আৰু বৈভৱ সূৰ্যবংশীয়ে স্থান লাভ কৰিছে। প্ৰতিযোগিতাখন ১৯ৰ পৰা ২৯ নৱেম্বৰলৈ কাটাৰত অনুষ্ঠিত হ’ব।

প্ৰকাশ: ২ নৱেম্বৰ ২০২৬, নিশা ৭:৩৬



(NewzNow)

নতুন দিল্লী, ২ নৱেম্বৰ: আগন্তুক ACC Men’s Rising Stars Asia Cup ২০২৬ৰ বাবে ১৫জনীয়া ভাৰত ‘এ’ দল ঘোষণা কৰিছে BCCI-য়ে। তিলক বৰ্মাৰ নেতৃত্বত গঠন কৰা দলটোত স্থান লাভ কৰিছে অভিষেক শৰ্মা আৰু কিশোৰ বেটাৰ বৈভৱ সূৰ্যবংশীয়ে। অভিজ্ঞ বেটাৰ ৰজত পাটিদাৰক উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছে।

নৱেম্বৰৰ ১৯ৰ পৰা ২৯ তাৰিখলৈ কাটাৰত অনুষ্ঠিত হ’বলগীয়া প্ৰতিযোগিতাখনত ভাৰত ‘এ’ দলে অংশগ্ৰহণ কৰিব। ১৫ বছৰীয়া বৈভৱ সূৰ্যবংশীয়ে দলত স্থান লাভ কৰাটো বিশেষভাৱে চৰ্চিত হৈছে। আক্ৰমণাত্মক বেটিঙেৰে ইতিমধ্যে ক্ৰিকেটপ্ৰেমীৰ দৃষ্টি আকৰ্ষণ কৰিছে যুৱ খেলুৱৈগৰাকীয়ে।

দলটোত উইকেটৰক্ষক হিচাপে আছে প্ৰভছিমৰণ সিং আৰু কুমাৰ কুশাগ্ৰ। ৰিংকু সিং, সূৰ্যাংশ শেঢ়গে, শ্বাহবাজ আহমেদ, বিপ্ৰজ নিগম, হৰ্ষ ডুবে আৰু তনুষ কোটিয়ানক অলৰাউণ্ডাৰ হিচাপে অন্তৰ্ভুক্ত কৰা হৈছে। বলিং

বিভাগত আছে হর্ষিত ৰাণা, প্ৰিন্স যাদৱ আৰু আৰশ্বাদ খান।

ভাৰত ‘এ’ দলক গ্ৰুপ ‘বি’ত পাকিস্তান ‘এ’, নেপাল আৰু সংযুক্ত আৰব আমিৰশ্বাহীৰ সৈতে স্থান দিয়া হৈছে। ২০ নৱেম্বৰত নেপালৰ বিৰুদ্ধে খেলি ভাৰতে অভিযান আৰম্ভ কৰিব। ২২ নৱেম্বৰত পাকিস্তান ‘এ’ আৰু ২৪ নৱেম্বৰত UAEৰ মুখামুখি হ’ব দলটো।

গ্ৰুপ পর্যায়ৰ পৰা প্ৰতিটো গ্ৰুপৰ শীর্ষ দুটা দলে ছেমি ফাইনেলত প্ৰৱেশ কৰিব। ২৬ আৰু ২৭ নৱেম্বৰত ছেমি ফাইনেল অনুষ্ঠিত হোৱাৰ বিপৰীতে ২৯ নৱেম্বৰত ফাইনেল খেল অনুষ্ঠিত হ’ব।

ভাৰত ‘এ’ দল: অভিষেক শর্মা, বৈভৱ সূর্যবংশী, প্ৰভছিমৰণ সিং (উইকেটৰক্ষক), তিলক বর্মা (অধিনায়ক), ৰজত পাটিদাৰ (উপ-অধিনায়ক), ৰিংকু সিং, কুমাৰ কুশাগ্ৰ (উইকেটৰক্ষক), সূর্যাংশ শ্বেড়গে, শ্বাহবাজ আহমেদ, বিপ্ৰজ নিগম, হর্ষ ডুবে, তনুষ কোটিয়ান, হর্ষিত ৰাণা, প্ৰিন্স যাদৱ আৰু আৰশ্বাদ খান।

এই খবৰটো NewzNow-ত প্ৰথমে প্ৰকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/481/india-a-rising-stars-asia-cup-squad-vaibhav-sooryavanshi